# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-11-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

ৰাজ্যৰ ৫টা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাৰ পৰা মুঠ ৫টা কেন্দ্ৰত অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ ৫টা সমষ্টি ক্ৰমে ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত ইতিমধ্যে যোৱা ১৩ নৱেম্বৰত শান্তিপূৰ্ণভাৱে উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত হয়। এই ৫টা বিধানসভা সমষ্টিত ৩৪ গৰাকী প্ৰাৰ্থীৰ বাবে সৰ্বমুঠ এহেজাৰ ৭৮টা ভোট কেন্দ্ৰত প্ৰায় ৭৬ শতাংশ ভোটাৰে ভোটদান কৰিছিল। ধলাই সমষ্টিৰ ভোটগণনা ৰামনগৰৰ আন্তঃৰাজ্যিক ট্ৰাক টাৰ্মিনেলৰ ভোটগৃহত, চিদলী সমষ্টিৰ ভোটগণনা কাজলগাঁৱৰ জিলা কেন্দ্ৰত, বঙাইগাঁও সমষ্টিৰ ভোটগণনা বঙাইগাঁও মহাবিদ্যালয়ত, বিহালী সমষ্টি আৰু চামগুৰি সমষ্টিৰ ভোটগণনা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কেন্দ্ৰত অনুষ্ঠিত হ'ব। ইতিমধ্যে ৫টা বিধানসভা সমষ্টিতে ভোটগণনাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

উল্লেখযোগ্য যে কাইলৈ ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাও অনুষ্ঠিত হ'ব।

ooooo

গুৱাহাটীৰ বেতকুচিত জলজীৱন মিছন, অসমৰ ৮১ গৰাকী নৱনিযুক্ত সহকাৰী অভিযন্তাৰ অন্তৰ্ভুক্তি প্ৰশিক্ষণ অনুষ্ঠান আৰম্ভ হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত নতুনকৈ নিযুক্তি লাভ কৰা এইসকল যুৱক-যুৱতীক নিষ্ঠা আৰু সততাৰে বিভাগৰ বিকাশৰ অৰ্থে কাম কৰি যাবলৈ আহ্বান জনায়।

ooooo

ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰ্ছ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীয়ে অসম ঔদ্যোগিক উন্নয়ন নিগমক সন্মানিত কৰিছে। স্বচ্ছতাৰ প্ৰতি দায়বদ্ধতা আৰু পৰিৱেশৰ বহনক্ষমতা, আৱৰ্জনা ব্যৱস্থাপনা আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰাৰ বাবে অসম ঔদ্যোগিক উন্নয়ন নিগমে এই বঁটা লাভ কৰে। ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডলৈ গৌৰৱ কঢ়িয়াই অনা অসম ঔদ্যোগিক উন্নয়ন নিগমৰ বিষয়া আৰু কৰ্মচাৰীলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

বৰপেটা জিলাৰ ষ্ট্ৰ'বেৰীৰ খেতিয়কসকলৰ উৎপাদিত ফচল যাতে বজাৰৰ অভাৱত নষ্ট নহয়, তাৰ বাবে জিলাখনৰ কৃষি বিজ্ঞান কেন্দ্ৰই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে হাউলীৰ কৃষি বিজ্ঞান কেন্দ্ৰত আজি কৰ্মশালাৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত সমীৰ চৌধুৰী নামৰ উদ্যোগী এজনে শুকান ষ্ট্ৰ'বেৰীৰ উৎপাদন আৰম্ভ কৰিছে। সমীৰ চৌধুৰীয়ে উৎপাদন কৰা শুকান ষ্ট্ৰ'বেৰীয়ে

ইতিমধ্যে গ্ৰাহকক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। সেয়েহে জিলাখনৰ ষ্ট্ৰ'বেৰীৰ উৎপাদকসকলক বজাৰৰ লগত সংযোগ কৰি দিয়া, শুকান ষ্ট্ৰ'বেৰী উৎপাদন উদ্যোগলৈ সামগ্ৰী যোগান ধৰা বিষয়টো সন্দৰ্ভত কৰ্মশালাত গুৰুত্ব আৰোপ কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰটোৰ জ্যেষ্ঠ বিজ্ঞানী ড০ অৰূপ কুমাৰ ডেকাৰ অধ্যক্ষতাত অনুষ্ঠিত এই কৰ্মশালাখনত জিলাখনৰ প্ৰায় ৩০ গৰাকী ষ্ট্ৰ'বেৰী উৎপাদকে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্যখনৰ এগৰাকী বিশিষ্ট চিত্ৰশিল্পী মনেশ্বৰ ব্ৰহ্মৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৭ বছৰ। শান্তি নিকেতনত চিত্ৰকলাৰ শিক্ষা লাভ কৰা ব্ৰহ্মই ললিত কলা একাডেমী বঁটা, কৰ্ণাটকম চিত্ৰকলা পৰিষদ বঁটাকে ধৰি ভালেমান ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত হৈছিল। আজি প্ৰাতঃভ্ৰমণ কৰি থকা অৱস্থাত তেওঁ ঢলি পৰে আৰু হাস্পতাললৈ নিয়াৰ পথত শেষ নিশ্বাস ত্যাগ কৰে। দেশ-বিদেশৰ বিভিন্ন স্থানত চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হোৱা শিল্পীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ললিতকলা শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০

অসমৰ ল'ন বল খেলুৱৈ নয়ণমণি শইকীয়া আৰু পুতুল সোণোৱালে অহা ২৫ নৱেম্বৰৰ পৰা নিউজিলেণ্ডৰ অকলেণ্ডত হ'বলগীয়া বিশ্ব ব'ল্ছ চেম্পিয়ন্ছ অব্ চেম্পিয়নছ প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। খেলুৱৈ দুগৰাকীয়ে ইতিমধ্যে অকলেণ্ডলৈ ৰাওনা হৈছে। বিশ্ব ব'ল্ছ লিমিটেড শীৰ্ষ চেম্পিয়নশ্বিপত কেৱল ৰাষ্ট্ৰীয় চেম্পিয়ন্ছসকলকহে নিজ নিজ দেশক প্ৰতিনিধিত্ব কৰাৰ বাবে অনুমতি প্ৰদান কৰা হয়। অসমৰ ল'ন বলিং সংস্থাৰ সভাপতি দুৰ্গা দাস বড়ো আৰু সম্পাদক নৱ বসুমতাৰীয়ে খেলুৱৈ দুগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথম টেষ্টৰ আজি প্ৰথম দিনা বেগী বলাৰসকলৰ আক্ৰমণাত্মক বলিঙত ভাৰত আৰু অষ্ট্ৰেলিয়া দুয়োটা দলৰে বেটিং বিপৰ্যয় ঘটে। টছত জিকি ভাৰতে প্ৰথমে বেট ধৰি বিপৰ্যয়ৰ সন্মুখীন হয়।

প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫০ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ নীতিশ ৰেড্ডীয়ে সৰ্বাধিক ৪১ ৰান সংগ্ৰহ কৰে। ঋষভ পণ্টে ৩৭ আৰু কে এল ৰাহুলে ২৬ ৰান কৰে। হেজেলউদে ২৯ ৰান দি চাৰিটা আৰু মিচ্চেল ষ্টাৰ্ক আৰু পে'ট কামিংছে দুটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত প্ৰথম ইনিংছ আৰম্ভ কৰি অষ্ট্ৰেলিয়াও বিপৰ্যয়ৰ সন্মুখীন হয় আৰু প্ৰথমদিনাৰ খেলৰ সামৰণিত ৭ উইকেটৰ বিনিময়ত ৬৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক যশপ্ৰীত বুমৰাই ১৭ ৰানত ৪টা, মহম্মদ ছিৰাজে দুটা আৰু টেষ্ট ক্ৰিকেটত অভিষেক ঘটা হৰ্ষিত ৰানাই এটা উইকেট দখল কৰে। প্ৰথম দিনাৰ সামৰণিত প্ৰথম ইনিংছৰ তিনিটা উইকেট বাকী থকা অৱস্থাত অষ্ট্ৰেলিয়া ভাৰততকৈ ৮৩ ৰান পিছ পৰি আছে।

০০০০০

সমাপ্ত